**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-08-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ অধ্যক্ষতাত পুনেত আজি BRICS ৰাষ্ট্ৰগোষ্ঠীৰ যোগাযোগ মন্ত্ৰীসকলৰ দ্বাদশ বৈঠক অনুষ্ঠিত হৈছে।

২। ভাৰত আৰু ব্ৰাজিলে দূৰ সংযোগ, তথ্য আৰু যোগাযোগ প্ৰযুক্তিত সহযোগিতা সুদৃঢ় কৰাৰ বাবে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বন্দে মাতৰমৰ সম্পূৰ্ণ গীতটোৰ পৰিৱৰ্তে মাত্ৰ প্ৰথম দুটা স্তৱক গোৱাৰ বাবে কংগ্ৰেছ কাৰ্যকৰী কমিটীয়ে লোৱা সিদ্ধান্তক তীব্ৰ ভাষাৰে সমালোচনা কৰিছে।

৪। ২০২৪-২৫ বৰ্ষত পি এম আশা আঁচনিৰ অধীনত ব্যয় কৰা ধনৰ পৰিমাণ প্ৰায় পাঁচ হাজাৰ ৪০০ কোটি টকাৰ পৰা চলিত বৰ্ষত ৭ হাজাৰ কোটি টকাতকৈও অধিক হৈছেগৈ।

আৰু

৫। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেলখন পৰহিলৈ মোহন বাগান ছুপাৰ জায়েণ্ট আৰু ইষ্ট বেংগল এফ চিৰ মাজত অনুষ্ঠিত হ’ব।

০০০০০০০০০

কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ অধ্যক্ষতাত পুনেত আজি BRICS ৰাষ্ট্ৰগোষ্ঠীৰ যোগাযোগ মন্ত্ৰীসকলৰ দ্বাদশ বৈঠক অনুষ্ঠিত হৈছে। তথ্য আৰু যোগাযোগ প্ৰযুক্তি, ডিজিটেল ৰূপান্তৰ, উদ্ভাৱন আৰু সুস্থিৰ ডিজিটেল আন্তঃগাঁথনিৰ ক্ষেত্ৰত সহযোগিতা শক্তিশালী কৰাৰ উদ্দেশ্যে BRICS ৰ সদস্যৰাষ্ট্ৰৰ যোগাযোগ মন্ত্ৰী আৰু শীৰ্ষ প্ৰতিনিধিসকলে এই বৈঠকত অংশ লৈছে। বৈঠকৰ মূল বিষয়বস্তু হৈছে সুস্থিৰ ভৱিষ্যতৰ বাবে উদ্ভাৱন, সহযোগিতা আৰু ৰূপান্তৰ। এই বৈঠকে BRICS ৰ সদস্য ৰাষ্ট্ৰসমূহক উন্নত প্ৰযুক্তি, ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি, ভৱিষ্যতৰ নেটৱৰ্ক, চাইবাৰ সুৰক্ষা, দক্ষতা নিৰ্মাণ আৰু সৰ্বাংগীন ডিজিটেল যোগাযোগৰ বিষয়ত মত বিনিময়ৰ বাবে এখন মঞ্চ প্ৰদান কৰিছে। আলোচনাত BRICS ৰাষ্ট্ৰ তথা গ্লবেল ছাউথ অৰ্থাৎ অৰ্থনৈতিক আৰু ঔদ্যোগিক দিশৰ পৰা তুলনামূলকভাৱে পিছপৰা হিচাপে বিবেচিত ৰাষ্ট্ৰসমূহৰ ডিজিটেল ৰূপান্তৰক সমৰ্থন কৰিবলৈ ব্যৱহাৰিক সহযোগিতা আগবঢ়াই নিয়াৰ বাবে বিভিন্ন পদ্ধতিসমূহত গুৰুত্ব আৰোপ কৰা হৈছে।

ইপিনে, জয়পুৰত আজি বিয়লি BRICS ৰাষ্ট্ৰগোষ্ঠীৰ পৰ্যটন মন্ত্ৰীসকলৰ বৈঠক অনুষ্ঠিত হ’ব। দুদিনীয়াকৈ আয়োজিত এই বৈঠকত BRICSৰ পৰ্যটন মন্ত্ৰী আৰু শীৰ্ষ বিষয়াসকলে পৰ্যটন খণ্ডত সহযোগিতা শক্তিশালী কৰাৰ বিষয়ত আলোচনা কৰিব। তেওঁলোকে মূলতঃ বহনক্ষম আৰু দায়বদ্ধ পৰ্যটন, দক্ষতা বিকাশ, বিৰামহীন যাত্ৰা আৰু পৰ্যটন খণ্ডত প্ৰযুক্তি তথা কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগৰ বিষয়ত আলোচনা কৰিব। মন্ত্ৰী পৰ্যায়ৰ এই বৈঠকে BRICS ৰাষ্ট্ৰসমূহৰ মাজত পৰ্যটন সহযোগিতা শক্তিশালী কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০০০

ভাৰত আৰু ব্ৰাজিলে দূৰ সংযোগ, তথ্য আৰু যোগাযোগ প্ৰযুক্তিত সহযোগিতা সুদৃঢ় কৰাৰ বাবে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। পুনেত অনুষ্ঠিত BRICS তথ্য আৰু যোগাযোগ প্ৰযুক্তি বৈঠকৰ সুযোগতে কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া আৰু ব্ৰাজিলৰ যোগাযোগ মন্ত্ৰী ফ্ৰেডেৰিক’ ডি ছিকুইৰা ফিলহ’ই এই চুক্তিখনত স্বাক্ষৰ কৰে বুলি দূৰ সংযোগ বিভাগে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বিভাগে প্ৰকাশ কৰা মতে এই বুজাবুজিৰ চুক্তিয়ে ডিজিটেল উদ্ভাৱন বৃদ্ধি, ডিজিটেল আন্তঃগাঁথনি শক্তিশালী কৰাৰ লগতে উন্নত প্ৰযুক্তি খণ্ডত সহযোগিতাৰ প্ৰসাৰ ঘটাব। কেন্দ্ৰীয় মন্ত্ৰী শ্ৰী সিন্ধিয়াই এটা বাৰ্তাত কয়, যে এই বুজাবুজিৰ চুক্তিয়ে সাৰ্বজনীন সংযোগ, চাইবাৰ সুৰক্ষা, ডিজিটেল ৰাজহুৱা

আন্তঃগাঁথনি, উন্নত প্ৰযুক্তি, দক্ষতা নিৰ্মাণ আদি ক্ষেত্ৰত দ্বিপাক্ষিক সহযোগিতা সুদৃঢ় কৰিব। ভাৰত আৰু ব্ৰাজিলৰ মাজত সুৰক্ষিত আৰু সৰ্বাংগীন ডিজিটেল ভৱিষ্যতৰ বাবে এয়া এটা শক্তিশালী পদক্ষেপ বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বন্দে মাতৰমৰ সম্পূৰ্ণ গীতটোৰ পৰিৱৰ্তে মাত্ৰ প্ৰথম দুটা স্তৱক গোৱাৰ বাবে কংগ্ৰেছ কাৰ্যকৰী কমিটীয়ে লোৱা সিদ্ধান্তক তীব্ৰ ভাষাৰে সমালোচনা কৰিছে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী শ্বাহে এই সিদ্ধান্তক সংসদত গৃহীত আইনৰ মুক্ত উলংঘন আৰু ৰাষ্ট্ৰ বিৰোধী বুলি অভিহিত কৰে। শ্ৰী শ্বাহে কয়, যে কংগ্ৰেছে ১৯৩৭ চনত একমাত্ৰ তোষামোদৰ বাবেই বন্দে মাতৰমক দুটা ভাগত ভাগ কৰিছিল। বন্দে মাতৰমৰ ডেৰশ বছৰীয়া বাৰ্ষিকী উপলক্ষে কেন্দ্ৰীয় চৰকাৰে এই ঐতিহাসিক ভুলৰ শুধৰণি কৰিছে আৰু সম্পূৰ্ণ গীতটিক আইনী স্বীকৃতি প্ৰদান কৰিছে। ৰাহুল গান্ধীৰ নেতৃত্বত কংগ্ৰেছে ভোট বেংকৰ ৰাজনীতিৰ খাতিৰত পুনৰ তোষামোদৰ পথ অনুসৰণ কৰা বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে অভিযোগ কৰে।

০০০০০০০০০

কেন্দ্ৰীয় নতুন আৰু নবীকৰণযোগ্য শক্তি দপ্তৰৰ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে কালি মন্ত্ৰালয়ৰ বিষয়াসকলৰ সৈতে প্ৰধানমন্ত্ৰী কুসুম যোজনাৰ পৰৱৰ্তী পৰ্যায়ৰ প্ৰস্তুতি সম্পৰ্কে আলোচনা কৰে। শ্ৰীযোশীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে বৈঠকত কৃষি খণ্ডত সৌৰ শক্তিৰ প্ৰসাৰৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হয়। তেওঁ কয়, যে বৰ্তমানলৈকে দেশত প্ৰধানমন্ত্ৰী কুসুম যোজনাৰ অধীনত ২৭ লাখৰো অধিক সৌৰ পাম্প স্থাপন কৰা হৈছে আৰু আঁচনিখনৰ জৰিয়তে ১৫ দশমিক ৮ গিগাৱাট নবীকৰণযোগ্য শক্তি সামৰ্থ্য বৃদ্ধি পাইছে। ইয়াৰ ফলত বছৰি ৮০ কোটি ৬০ লাখ লিটাৰ ডিজেল ৰাহি হোৱা বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। বৈঠকত দেশত পলিচিলিকনৰ উৎপাদন আৰু সৌৰ আহিলাপাতি ঘৰুৱাভাৱে নিৰ্মাণ কৰাৰ ব্যৱস্থা সুদৃঢ়কৰণক লৈও আলোচনা কৰা হয়।

০০০০০০০০০

ক্ষুদ্ৰ আৰু উপান্ত কৃষকসকলকে ধৰি দেশৰ সকলো শ্ৰেণীৰ কৃষকক ন্যূনতম সমৰ্থন মূল্য এম এছ পিৰ ব্যৱস্থাৰে উপকৃত কৰাটো নিশ্চিত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে। **পি এম আশা** হিচাপে পৰিচিত প্ৰধানমন্ত্ৰী অন্নদাতা আয় সংৰক্ষণ অভিযান হ'ব এনে ব্যৱস্থাসমূহৰ মাজৰ এখন অন্যতম আঁচনি। ২০১৮ বৰ্ষৰ ছেপ্তেম্বৰত ৰূপায়ন কৰিবলৈ আৰম্ভ কৰা এই আঁচনিখনৰ জৰিয়তে কৃষকসকললৈ পাৰিতোষিক মূল্য আগবঢ়োৱাৰ লগতে উপভোক্তাসকলৰ জৰিয়তে মূল্যৰ স্থিৰতা নিশ্চিত কৰাৰ ব্যৱস্থা কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে জানিবলৈ দিয়া মতে বিগত বছৰসমূহত এই আঁচনিৰ বাবে বাজেটত আৱণ্টিত ধনৰ পৰিমাণ ক্ৰমাগতভাৱে বৃদ্ধি পাই আহিছে। ২০২৪-২৫ বৰ্ষত পি এম আশা আঁচনিৰ অধীনত ব্যয় কৰা ধনৰ প্ৰকৃত পৰিমাণ প্ৰায় পাঁচ হাজাৰ ৪০০ কোটি টকা আছিল বুলি উল্লেখ কৰি মন্ত্ৰালয়ে কয়, যে ২০২৬-২৭ বৰ্ষৰ বাবে এই পৰিমাণ ৭ হাজাৰ কোটি টকাতকৈও অধিক হৈছেগৈ। এই তথ্যই কৃষকসকলৰ উপাৰ্জনৰ প্ৰতি চৰকাৰৰ সমৰ্থন নিশ্চিত কৰা আৰু মূল্য নিয়ন্ত্ৰণত ৰখাৰ ব্যৱস্থাটো শক্তিশালী কৰাৰ বিষয়টোকে সূচায় বুলি লগতে কোৱা হৈছে।

০০০০০০০০০

ভাৰতীয় ৰে'ল বিভাগে জম্মু আৰু শ্ৰীনগৰৰ মাজত তৃতীয়খন বন্দে ভাৰত ৰে'লগাড়ীৰ চলাচল শীঘ্ৰেই আৰম্ভ কৰিব। উধমপুৰৰ মাজেৰে চলাচল কৰাবলগীয়া এই ৰে'লগাড়ীখনৰ জৰিয়তে জম্মু আৰু কাশ্মীৰৰ এই গুৰুত্বপূৰ্ণ নগৰ দুখনৰ মাজত আহ-যাহ কৰিবলগীয়া ৰে'ল যাত্ৰীসকলৰ বাবে বৰ্ধিত সুবিধা আগবঢ়াবলৈ বিচৰা হৈছে। ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে দিয়া এখন পত্ৰৰ বিষয়ে প্ৰকাশ কৰি কেন্দ্ৰীয় মন্ত্ৰী জিতেন্দ্ৰ সিঙে সামাজিক মাধ্যম এক্সত এই বিষয়ে জানিবলৈ দিয়ে। এই চিঠিখনত ৰে'লমন্ত্ৰীয়ে উল্লেখ কৰা মতে জম্মু টাৱি আৰু শ্ৰীনগৰৰ মাজত **মাৰ্টিয়াৰ কেপ্তেইন তুষাৰ মহাজন উধমপুৰ** ৰে'ল ষ্টেচনৰ মাজেৰে তৃতীয়খন বন্দে ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীৰ চলাচলৰ ক্ষেত্ৰত অনুমোদন দিয়া হৈছে। ৰে'লমন্ত্ৰীগৰাকীৰ এই সিদ্ধান্তক উধমপুৰবাসীয়ে আদৰণি জনাইছে। এই ব্যৱস্থাৰ ফলত সংযোগ ব্যৱস্থা উন্নত হোৱাৰ লগতে ৰে'ল যাত্ৰা অধিক সুচল হৈ উঠিব বুলি ৰাজ্যখনৰ জনসাধাৰণে আশা প্ৰকাশ কৰিছে।

০০০০০০০০০

পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰাণ খানক ইছলামাবাদৰ এখন ব্যক্তিগত চিকিৎসালয়ত স্বাস্থ্য পৰীক্ষা সম্পন্ন কৰাৰ পাছত আজি পুৱা ৰাৱালপিণ্ডিৰ আদিয়ালা কাৰাগাৰলৈ স্থানান্তৰ কৰা হয়। দেশখনৰ সৰ্বোচ্চ ন্যায়ালয়ে যোৱা ১৮ আগষ্টত জাৰি কৰা এটা আদেশৰ পৰিপ্ৰেক্ষিতত তেওঁক কালি মাজনিশাৰ পাছত ইছলামাবাদৰ শ্বিফা ইণ্টাৰনেচনেল হস্পিতালত ভৰ্তি কৰোৱা হৈছিল। উল্লেখযোগ্য যে পাকিস্তানৰ ভূতপূৰ্ব প্ৰধানমন্ত্ৰীগৰাকী গুৰুতৰ ধৰণৰ উদ্বেগজনিত বিকাৰত ভূগি থকা বুলি চিকিৎসকৰ প্ৰতিবেদন সম্বলিত এখন আবেদন লাভ কৰাৰ পাছত আদালতে তেওঁক দুদিনৰ ভিতৰত স্থানান্তৰ কৰাৰ নিৰ্দেশ দিছিল।

দেশৰ তথ্য দপ্তৰৰ মন্ত্ৰী আতাউল্লা টাৰাৰে সামাজিক মাধ্যমযোগে এই বাতৰি নিশ্চিত কৰি কয় যে চিকিৎসালয়ত স্বাস্থ্য পৰীক্ষা কৰাৰ পাছত খানক পুনৰ আদিয়ালা কাৰাগাৰলৈ লৈ যোৱা হৈছে। ইয়াৰ পূৰ্বে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰণ কৰি পাকিস্তান তেহৰিক ই ইনছাফৰ প্ৰতিষ্ঠাতা প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীক শ্বিফা ইণ্টাৰনেচনেল হস্পিতালৰ পৰা আদিয়ালা কাৰাগাৰলৈ স্থানান্তৰ কৰাৰ বিষয়ে তেওঁৰ আন্তঃৰাষ্ট্ৰীয় মুখপাত্ৰ জুল্‌ফি বুখাৰিয়ে প্ৰকাশ কৰিছিল। উল্লেখযোগ্য যে দুৰ্নীতিকে ধৰি ভালেমান অভিযোগত ২০২৩ চনৰ ৫ আগষ্টত গ্ৰেপ্তাৰ কৰা ইমৰাণ খান দীৰ্ঘদিন ধৰি ৰাৱালপপিণ্ডিৰ আদিয়ালা কাৰাগাৰত বন্দী হৈ আছে।

০০০০০০০০০

১৩৫ সংখ্যক ঐতিহাসিক ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেলখন পৰহিলৈ কলকাতাৰ বিবেকানন্দ যুব ভাৰতী ক্ৰীড়াংগণত মোহন বাগান ছুপাৰ জায়েণ্ট আৰু ইষ্ট বেংগল এফ চিৰ মাজত অনুষ্ঠিত হ'ব। মোহন বাগানে যোৱানিশা শ্বিলঙত হোৱা প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত বিগত দুটা বৰ্ষৰ চেম্পিয়ন নৰ্থ-ইষ্ট ইউনাইটেডক টাই ব্ৰেকাৰৰ সহাযত ৪-৩ গ'লত পৰাস্ত কৰে। আনহাতে ইষ্ট বেংগলে প্ৰথম ছেমি ফাইনেলত এফ চি দিল্লীক পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে। উল্লেখযোগ্য যে মোহন বাগানে অভিলেখ সংখ্যক ১৭ বাৰ ডুৰাণ্ড কাপৰ খিতাপ দখল কৰাৰ বিপৰীতে ইষ্ট বেংগলে ১৬ বাৰ ডুৰাণ্ড কাপ জয় কৰিছে।

০০০০০০০০০

নতুন দিল্লীত অনুষ্ঠিত বি ডব্লিউ এফ চেম্পিয়নশ্বিপত আজি ভাৰতৰ কেইবাগৰাকীও খেলুৱৈ পুৰুষ আৰু মহিলাৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব। পুৰুষৰ ডাবলছত সাত্বিকছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটীটোৱে চীনৰ তৃতীয় বাছনিপ্ৰাপ্ত লিয়াং ৱেই কেং আৰু ৱাং চাঙৰ সন্মুখীন হ'ব। সাত্বিকছাইৰাজ আৰু চিৰাগৰ যুটীটোৱে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত মালয়েছিয়াৰ জুনেইদি আৰিফ আৰু ৰ'য় কিং য়াপক ২১-২৩, ২১-১৯, ২১-১৭ গেমত পৰাস্ত কৰে।

মহিলাৰ ডাবলছত তৃষা জ'লী আৰু গায়ত্ৰী গোপীচান্দে চীনৰ চতুৰ্থ বাছনিপ্ৰাপ্ত চিয়া ই ফেন আৰু ঝাং শু চিয়ানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় যুটীটোৱে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত জাপানৰ সপ্তম ৰিণ ইৱানাগা আৰু কী নাকানিছিক ২১-১৬, ২১-১২ পোনপটীয়া গেমত পৰাভূত কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে। ইপিনে, পূৰ্বৰ বিশ্ব চেম্পিয়ন পি ভি সিন্ধু, পুৰুষৰ ছিংগলছৰ খেলুৱৈ আয়ুষ চেট্টী আৰু মিক্সড ডাবলছৰ যুটী ধ্ৰুৱ কপিলা আৰু তনিছা ক্ৰাষ্টো নিজ নিজ শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

০০০০০০০০০

*সমাপ্ত*